অধ্যায় ১ ঃ কুমাৰসম্ভৱম্ (পৰিচয়)

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ মহাকবি কালিদাসৰ পৰিচয়

১.৪ কুমাৰসম্ভৱ মহাকাব্যৰ কথাবস্তু

১.৪.১ কুমাৰসম্ভৱ মহাকাব্যৰ উৎস

১.৪.২ কুমাৰসম্ভৱৰ আঠটা সৰ্গৰ সাৰাংশ

১.৪.৩ কুমাৰসম্ভৱ মহাকাব্যৰ নামকৰণৰ তাৎপর্য্য

১.৪.৪ কুমাৰসম্ভৱ মহাকাব্যৰ টীকা

১.৫ চৰিত্র-চিত্রণ

১.৫.১ সমীক্ষা

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -


- সংস্কৃত সাহিত্যত মহাকাব্যৰ উদ্ভৱ আৰু মহাকাব্যৰ লক্ষণসমূহ জানিব পাৰিব
- কুমাৰসম্ভৱৰ লেখকৰ বিষয়ে চমু আভাস পাব
- কুমাৰসম্ভৱৰ বিষয়বস্তু আৰু প্রথম আঠটা সৰ্গৰ সাৰাংশ জানিব পাৰিব
- অধ্যায়টি পঢ়ি আপুনি কুমাৰসম্ভৱ মহাকাব্যৰ প্রধান চৰিত্র আৰু ৰসৰ বিষয়ে জানিব পাৰিব।

১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আপুনি ব্যাসদেৱৰ বিৰচিত মহাভাৰতৰ শান্তিপর্বৰ ১৯১ নং অধ্যায়ৰ বিষয়ে অধ্যয়ন কৰিলে। এই অধ্যায়টিত আপুনি কাব্যৰ ভাগসমূহ আৰু মহাকাব্য কাক বোলে ইয়াৰ লক্ষণৰ লগতে কুমাৰসম্ভৱ মহাকাব্যৰ বিষয়বস্তু আৰু প্রথম আঠটা সৰ্গৰ সাৰাংশ জানিব পাৰিব।

মহাকাব্যৰ পাতনি কেতিয়া, কোন কালছোৱাত, কেনেকুৱা পৰিবেশৰ মাজত আৰম্ভ হয়, তাক সঠিকভাৱে কোৱা যদিও সহজ নহয়, তথাপি পণ্ডিতসকলে ক'ব বিচাৰে যে মহাকাব্যৰ

সূত্রপাত হয় প্রাচীন বৈদিক সাহিত্যসমূহতেই। ঋগ্বেদত সন্নিহিত হৈ থকা সংবাদসূক্তবোৰ পৰৱর্তীকালত নাট্যকাব্য আৰু আন আন মহাকাব্যৰ উৎস। কাব্য বুলিলে ৰসাত্মক কাব্যকে বুজোৱা হয়। সেইকাৰণে ৰসপূর্ণ বাক্য বুলিলে গদ্য আৰু পদ্য দুয়োটাই কাব্যৰ অন্তর্গত। এই কাব্যক দৃশ্য আৰু শ্রব্য ভেদে দুই প্রকাৰে ভাগ কৰা হয়। শ্রব্য কাব্য আকৌ তিনিটা ভাগত বিভক্ত যেনে— পদ্য, গদ্য আৰু চম্পূকাব্য। পদ্যকাব্য আকৌ তিনি শ্রেণীত বিভক্ত— মহাকাব্য, খণ্ডকাব্য আৰু মুক্তক কাব্য।



'ৰামায়ণ' হৈছে সংস্কৃত সাহিত্যৰ আদি মহাকাব্য। সংস্কৃত আলঙ্কাৰিকসকলে মহাকাব্যৰ লক্ষণ বিভিন্নধৰণে আগবঢ়াইছে। তাৰে ভিতৰত 'সাহিত্য দর্পণ' গ্রন্থৰ ৰচয়িতা বিশ্বনাথ কবিৰাজে ষষ্ঠ পৰিচ্ছেদত, ভামহে 'কাব্যালঙ্কাৰ' গ্রন্থ, ৰজা ভোজৰ সৰস্বতী, কণ্ঠাভৰণত আৰু অগ্নিপুৰাণত মহাকাব্যৰ লক্ষণসমূহ পোৱা যায়। বিশ্বনাথ কবিৰাজৰ 'সাহিত্যদর্পণ'ৰ মতে মহাকাব্যৰ লক্ষণসমূহ হৈছে—

মহাকাব্য হ'বলৈ হ'লে পদ্যকাব্য সর্গবন্ধাত্মক হ'ব লাগে। মহাকাব্যৰ সর্গসমূহ বেছি দীঘল নাইবা বেছি চুটিও হ'ব নালাগে। সাধাৰণতে আঠটাৰ পৰা ত্রিশলৈ সর্গ থাকিব লাগে। মহাকাব্যৰ নায়কজন দেৱতা নাইবা সদ্বংশজাত ক্ষত্রিয় হ'ব লাগে। নায়কজন হ'ব লাগিব বীৰ আৰু ধীৰোদাত্ত গুণ সম্পন্ন, কেতিয়াবা একে ৰাজবংশৰ ৰজাও হ'ব পাৰে। ৰসৰ ভিতৰত শৃঙ্গাৰ, বীৰ, শান্ত ৰসৰ যিকোনো এবিধ প্রধান আৰু আনবোৰ ৰস অঙ্গী হিচাবে থাকিব লাগে। নাটকত থকাৰ দৰে মহাকাব্যতো সকলো সন্ধি থাকিব লাগে। ধর্ম, অর্থ, কাম আৰু মোক্ষ এই চর্তুবর্গৰ প্রাপ্তিৰ বর্ণনাৰ কথা থাকিব লাগে। মহাকাব্যত দুর্জ্জনৰ নিন্দা আৰু সজ্জনৰ প্রশংসামূলক শ্লোক থাকিব লাগে। মহাকাব্যত সন্ধ্যাকাল, সূর্যোদয়, ৰাতি, প্রদোষ, দুপৰীয়া, মৃগয়া, পর্বত, ঋতু, বন, উপবন, সাগৰ, সম্ভোগ, বিপ্রলম্ভ, মুনি, স্বর্গ, নগৰ, যজ্ঞ, যাত্রা, বিৰহ, মন্ত্রণা, পুত্রজন্ম, ইত্যাদি বর্ণনা থাকিব লাগে। মহাকাব্যৰ শ্লোকসমূহ এটা ছন্দত ৰচিত হ'ব লাগে আৰু শেষত দুই তিনিটা বেলেগ ছন্দত ৰচিত শ্লোক থাকিব লাগে।

মহাকাব্যখন নমস্কাৰ, আশীর্বাদ আৰু বস্তু নির্দেশাত্মক কথাৰে আৰম্ভ কৰিব লাগে। মহাকাব্যৰ নামাকৰণ কবিৰ নাম, নায়কৰ নাম নাইবা প্রসিদ্ধ সম্বর্দ্ধিত ব্যক্তিৰ নামে�ৰেও হ'ব পাৰে।

এইদৰে ছন্দোময় শ্লোকেৰে যেতিয়া বিস্তৃত কাহিনী ঘাট-প্রতিঘাতৰ মাজেৰে পৰিণতিৰ

ফালে আগবাঢ়ে তাকে মহাকাব্য বুলি আখ্যা দিব পাৰি। উদাহৰণ যেনে— কুমাৰ সম্ভৱম্, ৰঘুবংশম্, নৈষধচৰিত ইত্যাদি।

সর্গবন্ধো মহাকাব্যং তত্রৈকো নায়কঃ সুৰঃ
সদ্‌বংশঃ ক্ষত্রিয়া বাপি ধীৰোদাত্তগুণান্বিতঃ।
একবংশভবা ভূপাঃ কুলজা বহবোঅপি বা।।
শৃঙ্গাৰ বীৰশান্তানামেকোঅঙ্গী ৰস ইষ্যতে।
অঙ্গানি সর্বেহপি ৰসাঃ সর্বে নাটক সন্ধয়।।
ইতিহাসোদ্ভৱং বৃত্তমন্যদ্বা সজ্জনাশ্রয়ম্।
চত্বাৰস্তস্য বর্গাঃ সুৎস্তেষ্বেকং ফলংভৱেত্।।
আদৌ নমস্ক্রিয়াশীর্বা বস্তুনির্দেশ এব বা।
ক্বচিন্নিন্দা খলাদীনাং সত্যং চ গুণকীর্ত্তনম্।।
একবৃত্তময়ৈঃ পদ্যৈৰৱসানেঅন্যবৃত্তকৈঃ।
নাতিস্বল্পা নাতিদীর্ঘাঃ সর্গা অষ্টাধিকা ইহ।।
নানাবৃত্তময়ঃ ক্বাপি সর্গঃ কশ্চন দৃশ্যতে।
সর্গান্তে ভাবিসর্গস্য কথায়াঃ সূচনং ভবেত্।।
সন্ধ্যাসূর্যেন্দুৰজনী প্রদোষ ধ্বান্তবাসৰাঃ।
প্রাতর্মধ্যাহ্নমৃগয়া শৈলর্তুবনসাগৰাঃ।।
সম্ভোগ বিপ্রলম্ভৌ চ মুনি স্বর্গপুৰাধ্বৰাঃ।
ৰণপ্রয়াণোপয়ম মন্ত্রপুত্রোদয়াদয়।।
বর্ণনীয়া যথাযোগং সাঙ্গোপাঙ্গা অমী ইহ।
কবের্বৃত্তস্য বা নাম্না নায়কস্যেতৰস্য বা।।
নামাস্য সর্গোপাদেয়কথয়া সর্গানাম্ তু।।

১.৩ মহাকবি কালিদাসৰ পৰিচয়

'কুমাৰসম্ভৱ' মহাকাব্যৰ শ্রেণীত পৰে। এই মহাকাব্য ৰচনা কৰে মহাকবি কালিদাসে। কবিৰ দ্বাৰা ৰচিত আন এখন মহাকাব্য হৈছে 'ৰঘুবংশ'। এইখিনিতে মহাকবি কালিদাসৰ চমু পৰিচয় দিয়া হ'ল।

মহাকবি কালিদাসক কবিকুল গুৰু বুলি স্বীকৃতি দিছে। পাশ্চাত্য পণ্ডিত উইলিয়াম জোন্সে কবিজনৰ নাটক 'অভিজ্ঞানশকুন্তলম'ৰ সৌন্দর্যত মুগ্ধ হৈ কবিজনক 'ভাৰতৰ শ্বেক্সপীয়াৰ' বুলি অভিহিত কৰিছে। বিশ্বৰ সংস্কৃতানুৰাগী সকলোৱে তেওঁৰ প্রভাৱত প্রভাৱান্বিত। তেওঁৰ জীৱনী আৰু আবির্ভাৱ কালসম্বন্ধে আজিও পণ্ডিতসকলৰ মাজত মতানৈক্য দেখা যায়। কিছুমান পণ্ডিতৰ মতে তেওঁৰ জন্মভূমি কাশ্মীৰ আৰু কিছুমানৰ মতে উজ্জয়িনী। কিন্তু এই আটাইবোৰ মন্তব্য অনুশীলন কৰি এইটো অৱগত হৈছে যে তেওঁৰ জন্মস্থান উজ্জয়িনী। দণ্ডীৰ



দণ্ডীয়ে তখন গ্রন্থ ৰচনা কৰিছিল— ১) দশকুমাৰচৰিত, ২) অৱন্তিসুন্দৰী কথা, ৩) কাব্যাদর্শ।

'অৱন্তীসুন্দৰীকথা'ৰ এটা শ্লোকত কালিদাসৰ জন্মস্থান সম্বন্ধে কোৱা হৈছে।

লিপ্তা মধুদ্রবেনাসন যস্য নির্বিশা গিৰঃ।
তেনেদং বর্ত্ম বৈদর্ভং কালিদাসেন শোধিতম্।।



'নৰৰত্ন'-ন-জন সংস্কৃত পণ্ডিত।

কালিদাস আছিল শৈৱ। সম্ভৱতঃ তেওঁ উজ্জয়িনীৰ বিখ্যাত মহাকাল মহাদেৱৰ উপাসক।

কালিদাসক ৰজা বিক্রমাদিত্যৰ ৰাজসভাৰ 'নৱৰত্ন'ৰ এজন ৰত্ন বুলি উল্লেখ কৰা যায়। কালিদাসৰ ৰচনা বুলি অভিহিত 'জ্যোতির্বিদ্যাভৰণ' নামৰ এখন জ্যোতিষ গ্রন্থত নৱৰত্নৰ উল্লেখ আছে—

ধন্বন্তৰিক্ষপণকামৰসিংহ শঙ্কুবেতাল ভট্টঘটকর্পৰ কালিদাসাঃ।
খ্যাতোবৰাহমিহিৰোনৃপতেঃ সভায়াং ৰত্নানি বৈ ৰৰৰুচির্ণৱ বিক্রমস্য।।'

শ্লোকটো অনুসৰি ক'ব পাৰি ধন্বন্তৰি, ক্ষপণক, অমৰসিংহ, শঙ্কু, বেতালভট্ট, ঘটকর্পৰ, কালিদাস, ৰাহমিহিৰ আৰু ৰৰৰুচি এই নজন নৱৰত্ন আছিল। এওঁলোকৰ পৃষ্ঠপোষক আছিল ৰজা বিক্রমাদিত্য।

মহাকবি কালিদাসৰ জীৱনচৰিত ঃ

কালিদাসৰ জীৱন সম্বন্ধে বিভিন্ন পণ্ডিতে বিভিন্ন মুখৰোচক কাহিনী সন্নিবেশিত কৰিছে। প্রাপ্ত তথ্য অনুযায়ী মহাকবি কালিদাসৰ ব্রাহ্মণ কুলত জন্ম। ওঠৰ বছৰ কাল তেওঁ নিৰক্ষৰ আছিল। শিশুকালতে পিতৃ-মাতৃৰ বিয়োগ হোৱাত এজন গো-পালকে তেওঁক ডাঙৰ-দীঘল কৰে। বিশেষ চল-চাতুৰী কৰি তেওঁক এগৰাকী বিদুষী ৰাজকুমাৰীক বিবাহ কৰাই দিছিল। জ্ঞান আৰু সংস্কাৰশূন্য হোৱা বাবে পত্নীৰ ওচৰত লাঞ্ছনা পাবলগীয়া হোৱাত ঘৰৰ পৰা ওলাই গৈ দেৱী কালিকাৰ উপাসনা কৰি বিদ্বৎবিভূতি লাভ কৰে আৰু কাব্যপ্রতিভাৰে অনুপ্রেৰিত হৈ তেওঁ গৃহলৈ প্রত্যাৱর্তন কৰে। ঘৰত পত্নীয়ে তেওঁক প্রশ্ন কৰে 'অস্তি কশ্চিদ্বাগ্ বিশেষঃ'। তেতিয়া হেনো কালিদাসে পত্নীৰ প্রতিটো শব্দকে প্রতীকৰূপে লৈ একোখন মনোমোহা অথচ অমৰ কাব্য ৰচনা কৰে।

'অস্তি' শব্দেৰে— (অস্ত্যুত্তৰস্যাং দিশি দেৱতাত্মা হিমালয়ঃ)
কুমাৰসম্ভৱম্। 'কশ্চিৎ' শব্দেৰে (কশ্চিৎ কান্তা বিৰহগুৰুণা)
মেঘদূত, 'বাক্' শব্দেৰে (বাগার্থাৱিৰ সম্পৃক্তৌ) ৰঘুবংশ, আৰু 'বিশেষ' শব্দেৰে (বিশেষ সূর্যঃ স্পৃহনীয় চন্দ্রমা) ঋতুসংহাৰ নামেৰে চাৰিখন কাব্য ৰচনা কৰে।

প্রসিদ্ধ জৈন কবি মেৰুতুঙ্গৰ মতে কালিদাসে পণ্ডিত ৰৰৰুচিৰ প্রৰোচনা আৰু চক্রান্তত পৰি বিক্রমাদিত্যৰ জীয়েক প্রিয়ঙ্গুমঞ্জৰীক বিয়া কৰাইছিল আৰু মুর্খতাৰ বাবে ৰাজকুমাৰীৰ দ্বাৰা অপমানিত হৈ কালিকাক প্রসন্ন কৰি কবিত্ব শক্তি লাভ কৰে।

মহামহোপাধ্যায় বাসুদেৱ বিষ্ণু মিৰশীয়ে তেওঁৰ স্বৰচিত পুথি 'কালিদাস'ত কালিদাসৰ জীৱন চৰিত সম্পর্কে কিছুমান আনুমানিক তথ্য দেখুৱাইছে।

মিৰাশীৰ মতে— ৰঘুবংশৰ প্রথম সর্গত মহর্ষি বশিষ্ঠৰ আশ্রম আৰু পঞ্চমসর্গত ৰৱতন্তু ঋষিৰ আশ্রম আৰু 'অভিজ্ঞানশকুন্তলম্' নাটকৰ কন্বমুণি আৰু মাৰীচ আদি ঋষিসকলৰ আশ্রমৰ

বর্ণনা পঢ়ি এইটো অনুমান হয়, কালিদাসে যেন প্রাচীন ভাৰতৰ কোনো গুৰুকুলত থাকি বিধিবৎ অধ্যয়ন কৰিছিল। বেদ, ব্রাহ্মণ, উপনিষদ, দর্শন আদিত গভীৰ জ্ঞান লাভ কৰাৰ উপৰিও অর্থশাস্ত্র, ধর্মশাস্ত্র আৰু নীতিশাস্ত্রত তেওঁৰ পাণ্ডিত্য আছিল অসীম। এই শাস্ত্রসমূহত থকা জ্ঞানৰ পৰিচয় তেওঁৰ ৰচিত গ্রন্থসমূহৰ মাজেদি প্রকাশিত হৈছে। তাৰোপৰি জ্যোতিষ, ধনুর্বেদ, আয়ুর্বেদ, সঙ্গীত, চিত্রকলা আদিৰ গভীৰ জ্ঞানৰ পৰিচয় পোৱা যায়। ইতিহাস, ভুগোল আৰু কাব্যশাস্ত্রতো এওঁ আছিল অতি নিপুণ।

আৰির্ভাৰ কাল ঃ

কালিদাসৰ আৰির্ভাৰ কাল সম্বন্ধে পণ্ডিতসকলৰ মাজত মতবিৰোধ দেখা যায়—

(১) জার্মান পণ্ডিত মেক্সমূলাৰ, ডাঃ হার্ণলী, ড° ৰামকৃষ্ণ ভাণ্ডাৰকাৰ, ৰামাৱতাৰ শর্মা, বিজয়চন্দ্র মজুমদাৰ আৰু মহামহোপাধ্যায় বাসুদেৱ বিষ্ণু মিৰাশীৰ মতে কালিদাস গুপ্তযুগৰ। শ্রীচিন্তামণি বিনায়ক বৈদ্য, শিৱৰাম আপ্তে, পণ্ডিত সতীশ চন্দ্র চট্টোপাধ্যায়, পণ্ডিত চন্দ্রশেখৰ পাণ্ডেয় আৰু পণ্ডিত বলদেৱ উপাধ্যায়ৰ মতে কালিদাসৰ স্থিতিকাল খৃঃ পূঃ প্রথম শতাব্দী।

(২) চীনা পৰিব্রাজক হিউৱেনচাঙে ((৬১৯-৬৪৫) খ্রীঃত ভাৰত-ভ্রমণৰ টোকাত মালৱ (মোপোলো) দেশৰ ৰজা শিলাদিত্যৰ ৰাজত্বকাল ৫৩০-৫৮০ খ্রীঃ বুলি লিখিছে। কল্হনৰ 'ৰাজতৰঙ্গিনী'ত ৰজা বিক্রমাদিত্য আৰু এওঁৰ সভাকবি মাতৃগুপ্তৰ উল্লেখ থকাৰ পৰা এইটো প্রতীয়মান হয় শীলাদিত্য আৰু বিক্রমাদিত্য একেজন মানুহ। মালৱদেশৰ ৰজা যশোবর্মনক শিলাদিত্য বুলিও কোৱা হৈছে। কল্হনে উল্লেখ কৰা বিক্রমাদিত্যই যাক কাশ্মীৰৰ সিংহাসনত অধিষ্ঠিত কৰে সেইজন ভানুগুপ্ত আৰু সেই ভানুগুপ্তকে কালিদাস বুলি কোৱা হৈছে। ভানুগুপ্তৰ পিছত প্রৱৰসেন এই সিংহাসনত বহে। এওঁৰ নামত প্রচলিত 'সেতুবন্ধ' নামৰ প্রাকৃত মহাকাব্য বিক্রমাদিত্যৰ আজ্ঞামতে কালিদাসে ৰচনা কৰে।

কিন্তু পণ্ডিতসকলে এই যুক্তি মানি নলয়। হিউৱেনচাঙে যাক শিলাদিত্য বুলিছে অধ্যাপক সিলবন লেবীৰ মতে তেওঁৰেই বলভীৰ শিলাদিত্য। যদি 'ৰাজতৰঙ্গিনী'ৰ মতে যশোবর্মনেই বিক্রমাদিত্য হয় তেনেহ'লে তেওঁ 'ৰাজাধিৰাজ' লিখা উচিত আছিল। বিক্রমাদিত্যৰ আদেশ মতে কালিদাসে প্রৱৰসেনৰ বাবে সেতুবন্ধ লেখাটোৱো যুক্তিহীন। ভানুগুপ্ত যে কালিদাস নহয় সেই সম্বন্ধে অনেক তথ্য উদ্ধাৰ হৈছে।

(৩) ফৰাচী পণ্ডিত হিপোলাইট ফাউচৰমতে 'ৰঘুবংশ'ত বর্ণিত ৰঘুবংশীয় ৰজা অগ্নিবর্ণৰ মৃত্যুৰ পাছত পত্নীৰ গর্ভজ সন্তান জন্ম হয়। অগ্নিবর্ণৰ সময়তেই কালিদাসৰ আৰির্ভাৰ হয় কাৰণ কবিয়ে অগ্নিবর্ণৰ পুত্রৰ বর্ণনা দি মহাকাব্য সামৰিছে। পণ্ডিত ফাউছে অনুমান কৰে যে খ্রীঃপূঃ ৮ম শতাব্দীত অগ্নিবর্ণৰ মৃত্যু আৰু পুত্রোৎত্তি হৈছিল. সেয়ে কালিদাসৰ আৰির্ভাৰ কাল ইয়াৰ আগৰ অর্থাৎ ৭ম শতাব্দী হ'ব পাৰে।

(৪) মহাকবি কালিদাসে 'মালৱিকাগ্নিমিত্রম্ নাটকৰ প্রস্তাৱনাত মহাকবি ভাস প্রভৃতিৰ নাম উল্লেখ কৰিছে— 'প্রথিতযশসাং ভাসসৌমিল্লককবিপুত্রদীনাং প্রৱন্ধানতিক্রম্য বর্তমানকবেঃ

কালিদাসস্য ক্রিয়ামিমাং দ্রষ্টুং কথং পৰিষদো বহুমানঃ।'

নাট্যকাৰ ভাসৰ প্রভাৱ কালিদাসৰ ওপৰত পৰা কথা পণ্ডিতসকলে স্বীকাৰ কৰে। এ বি পুশলকাৰে ভাসৰ আৱির্ভাৱ কাল ১ম শতিকা আৰু কালিদাসৰ আৱির্ভাৱ কাল চতুর্থশতিকা বুলি ঠাৱৰ কৰিছে।

(৫) মহাকবি কালিদাসৰ আৱির্ভাৱ গুপ্তযুগত হৈছিল বুলিয়েই বেছিভাগ পণ্ডিতে কয়। তেওঁলোকে কালিদাসৰ কালৰ দুটা সীমা নির্ধাৰণ কৰে। ৭ম শতিকাৰ কবি গদ্যকাৰ বাণভট্টই আৰু ২য় পুলকেশীৰ আইহোল শাসনাৱলীয়ে (৬১৪ খ্রীঃ) কালিদাসক ৭ম শতিকাৰ আগৰ লোক বুলি প্রমাণ কৰিছে।

সেইদৰে মান্দাচো�ৰ শাসনাৱলীৱেও (৪৭৩ খ্রীঃ) কালিদাসৰ সময় নিৰূপণত সহায় কৰে। সেই শাসনাৱলীৰ লেখক বৎসভট্টিয়ে প্রসস্তি ৰচনা কৰোতে কালিদাসৰ 'মেঘদূত'ৰ শ্লোক অনুকৰণ কৰে। সেয়ে হ'লে কালিদাসক ৪৫০ খ্রীঃৰ পূর্বৰ বুলি ক'ব পাৰি। অর্থাৎ কালিদাস পঞ্চম শতিকাৰ আগতে আৱির্ভাৱ হৈছিল।

(৬) কালিদাসৰ 'মালৱিকাগ্নিমিত্র' নাটকৰ তিনিটা চৰিত্র ক্রমে পুষ্যমিত্র, অগ্নিমিত্র আৰু বসুমিত্রক শুঙ্গবংশীয় ঐতিহাসিক পুৰুষৰূপে চিহ্নিত কৰা হৈছে। এই বংশৰ ৰজাসকলে খ্রীঃপূর্ব ৭৩ অব্দলৈ শতাধিক কাল ৰাজত্ব কৰে। সেয়ে হ'লে কালিদাসৰ আৱির্ভাব কাল ২য় শতিকা হোৱাৰ সম্ভাৱনাই বেছি।

(৭) মেক্সমূলাৰে ক'ব বিচাৰে যে কালিদাসে 'মেঘদূত'ৰ এটা শ্লোকত 'দিঙ্নাগ' আৰু 'নিচুল' শব্দ দুটা উল্লেখ কৰিছে। তেওঁ মতে এওঁলোক কালিদাসৰ সমসাময়িক দুজন বৌদ্ধ পণ্ডিতৰ নাম। দিগ্নাগ আছিল আসঙ্গৰ শিষ্য আৰু এওঁ ষষ্ঠ শতিকাৰ লোক। গতিকে, কালিদাসৰ সময়ো ষষ্ঠ শতিকা। কিন্তু কীথে এই যুক্তি মানি নলয়। কীথৰ মতে কালিদাসৰ সময় চতুর্থ শতিকা।

কালিদাসৰ আৱির্ভাৱ কালক লৈ পণ্ডিতসকলে বিভিন্ন মত পোষণ কৰিছে আৰু গুপ্ত কালতে কালিদাসে ৰচনাসমূহ আৰম্ভ কৰিছে, সেই কাৰণে কালিদাসৰ সময় খ্রীঃপূর্ব প্রথম শতিকাৰ পিছৰ অর্থাৎ দ্বিতীয় শতিকাৰ বুলি বেছিভাগ পণ্ডিতে মানি লয়। কিন্তু প্রয়াগৰ ওচৰৰ ভীটা নামৰ ঠাইত মৃন্ময় পদক পোৱা গৈছে। সেই পদকটোক কালিদাসৰ 'অভিজ্ঞানশকুন্তলম্' নাটকৰ প্রথম অংকৰ দৃশ্য অঙ্কিত আছে। ঐতিহাসিক দৃষ্টিকোণৰ পৰা এই পদকটো শুঙ্গকালীন বুলি স্থিৰ কৰা হৈছে। ইয়াৰ পৰা জানিব পাৰি কালিদাসৰ সময় খ্রীঃপূবঃ ১ম শতাব্দী।

এনেদৰে কালিদাসৰ আৱির্ভাৱ কাল ১ম শতাব্দী বুলি নির্ণয় কৰা হৈছে।

কালিদাসৰ ৰচনাৰাজি ঃ

মহাকবি কালিদাসৰ নামত অনেক গ্রন্থ প্রচলিত হৈ থাকিলেও পণ্ডিতসকলে সাতখন গ্রন্থহে কালিদাসৰ বুলি দৃঢ়মত পোষণ কৰে। সেয়া হৈছে—

ক) কুমাৰ সম্ভৱম্ ┐
খ) ৰঘুবংশম্ ┘ মহাকাব্য

গ) মেঘদূত ┐ খণ্ডকাব্য
ঘ) ঋতুসংহাৰ ┘

ঙ) মালবিকাগ্নিমত্রম্ ┐
চ) বিক্রমোৰ্বশীয়ম্ ├ নাটক
ছ) অভিজ্ঞানশাকুন্তলম্ ┘

ইয়াৰে কুমাৰসম্ভৱ আৰু ৰঘুবংশম্ মহাকাব্য। মেঘদূত আৰু ঋতু সংহাৰ খণ্ড কাব্য আৰু বাকী তিনিখন নাটক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ মহাকাব্যৰ সূত্রপাত প্রথমে ক'ত দেখা যায়?

.....

প্রশ্ন নং ২ঃ কাব্যৰ প্রধান ভাগ দুটা কি কি?

.....

প্রশ্ন নং ৩ঃ কুমাৰসম্ভৱ কোন শ্রেণীৰ কাব্যৰ ভিতৰত পৰে?

.....

প্রশ্ন নং ৪ঃ মহাকাব্যৰ লক্ষণৰ যিকোনো এটা লক্ষণ দিয়ক।

.....

প্রশ্ন নং ৫ঃ কালিদাসৰ বাহিৰে যিকোনো দুজন নৱৰত্নৰ নাম লিখক।

.....

প্রশ্ন নং ৬ঃ কুমাৰসম্ভৱ মহাকাব্যৰ আদিতে কবিয়ে কাক বন্দনা কৰিছে।

.....

১.৪ কুমাৰসম্ভৱম্ মহাকাব্যৰ কথাবস্তু

মহাকবি কালদাসৰ কুমাৰসম্ভৱ পঞ্চ মহাকাব্যৰ অন্তর্গত। ৰঘুবংশ মহাকাব্যকো পঞ্চ মহাকাব্যৰ অন্তর্ভুক্ত বুলি কোৱা হয়। কুমাৰসম্ভৱ মহাকাব্যখন ১৭টা (সোতৰটা) সর্গত বিভক্ত। পণ্ডিতসকলে ১-৮টা সর্গহে কালিদাসৰ ৰচনা বুলি ক'ব খোজে। কাৰণ ইয়াৰ ভাৱ-ভাষা, সাহিত্য কলা আদিৰ তুলনাত ৯-১৭ নং সর্গৰ সাহিত্যিক সৌন্দর্য নিম্নখাপৰ। যি কি নহওক 'কুমাৰসম্ভৱ'ৰ অর্থ 'কুমাৰৰ জন্ম' অর্থাৎ কার্ত্তিকৰ জনম আৰু তেওঁৰ বীৰকর্মৰ বর্ণনা কৰিছে। এই সকলো দিশ ফঁহিয়াই চাই আৰ ভি কর্মকাৰে মত প্রকাশ কৰে যে সমগ্র মহাকাব্যখন কালিদাসৰ ৰচনা।



পঞ্চমহাকাব্য
১) কুমাৰসম্ভৱম্
২) ৰঘুবংশম্
৩) কিৰাতার্জুনীয়ম্
৪) শিশুপালবধম্
৫) নৈষধচৰিতম্

কুমাৰসম্ভৱ মহাকাব্যৰ কথাবস্তু ঃ

তাৰকাসুৰৰ বধৰ কাৰণে কুমাৰ (কার্ত্তিকৰ) জন্মই হৈছে 'কুমাৰসম্ভৱম'ৰ মূল বিষয়। তাৰকাসুৰৰ অত্যাচাৰত অতীষ্ঠ হৈ দেৱতাসকল ব্ৰহ্মাৰ ওচৰ চাপে। তেতিয়া ব্ৰহ্মাই উপদেশ দিয়ে যে শিৱ আৰু পার্বতীৰ মিলনৰ ফলত উদ্ভৱ হোৱা পুত্ৰৰ হাততহে তাৰকাসুৰৰ মৃত্যু সম্ভৱ। বর্তমান মহাদেৱ যোগসমাধিত ৰত আৰু হিমালয়ৰ কন্যা পার্বতীয়ে তেওঁক শুশ্ৰূষা কৰি আছে. পার্বতীৰ প্ৰতি আকৃষ্ট কৰি তেওঁৰ সৈতে মিলন হ'লেহে সন্তান সম্ভৱ হ'ব। সেই সন্তানেহে তাৰকাসুৰক বধ কৰিব পাৰিব।

ইয়াৰ পাছতে দেৱৰাজ ইন্দ্ৰই এখন সভা আহ্বান কৰি কামদেৱক (মদনক) মাতি আনি শিৱ আৰু পার্বতীৰ মিলন ঘটাবলৈ আদেশ দিলে। মদনে, সখা বসন্ত আৰু পত্নী ৰতিদেৱীক লৈ শিৱৰ সমাধি স্থানত উপস্থিত হ'ল আৰু বসন্তৰ সহায়ত অকাল বসন্ত সৃষ্টি কৰি শিৱৰ মন পার্বতীৰ প্ৰতি আকৃষ্ট কৰিবলৈ যত্নপৰ হ'ল। বসন্তৰ চঞ্চলতাত মহাদেৱৰ সমাধিত বাধা হ'ল আৰু মদনক কামবাণ নিক্ষেপ কৰা দেখা পাই ক্ৰোধত কপালস্থ তৃতীয় চকুৰ পৰা অগ্নি নির্গত কৰি কামদেৱক ভস্মীভূত কৰে। পতিহীনা ৰতিৰ বিলাপে পার্বতীৰ কোমল অন্তৰতো কাৰুণ্যৰ আলোড়ন তুলিলে। নিজৰ দৈহিক সৌন্দর্যৰে শিৱক আকৃষ্ট কৰিব নোৱাৰি পার্বতীয়ে পিতৃৰ আজ্ঞালৈ শিৱক পতিৰূপে পাৰ্বৰ বাবে কঠোৰ তপস্যাত মগ্না হয়। পার্বতীৰ তপস্যাত সন্তুষ্ট হৈ শিৱই বাওনা ব্ৰাহ্মণৰ বেশ ধাৰণ কৰি পার্বতীৰ পৰীক্ষা কৰিলে আৰু শেষত আত্মপ্ৰকাশ কৰি পার্বতীক জয়ী হোৱা বুলি স্বীকাৰ কৰিলে। ইয়াৰ পাছতে শিৱই পার্বতীৰ পাণি প্ৰার্থনা কৰিবলৈ সপ্তর্ষিক হিমালয়লৈ প্ৰেৰণ কৰে। হিমালয়ে আনন্দেৰে জীয়েকক শিৱলৈ বিয়া দিবলৈ সন্মতি জ্ঞাপন কৰিলে। শিৱ পার্বতীৰ মিলনত দেৱসেনাপতি জন্মাৰ সম্ভাৱনাই দেখা দিলে। এই কাহিনীকে কালিদাসে আঠটা সর্গত বিভক্ত কৰিছে।

পৰৱর্তী নটা সর্গৰ কাহিনীৰ সাৰমর্ম হৈছে— বিবাহৰ পাছত শিৱ পার্বতী সম্ভোগ ক্ৰিয়াত বহুদিন পাৰ কৰাত দেৱবৃন্দ ধৈর্যচ্যুত হ'ল। অগ্নিক কপৌ চৰাইৰ ৰূপত শিৱ আৰু পার্বতাৰ লীলাধামলৈ ঘটনাৰ বুজ ল'বলৈ পঠালে। অগ্নিৰ আগমনত শিৱ ক্ৰোধান্বিত হ'ল। কিন্তু অগ্নিয়ে দেৱতাসকলৰ অনুৰোধ ক্ৰমেহে তালৈ অহা বুলি নিবেদন কৰাত শিৱ প্ৰসন্ন হ'ল আৰু নিজৰ আমোঘ তেজোবিন্দু অগ্নিত নিক্ষেপ কৰিলে। অগ্নিয়ে সেই তেজ ধাৰণ কৰিবলৈ অসমর্থ হৈ ইন্দ্ৰক জনোৱাত ইন্দ্ৰই তেজ আকাশী গঙ্গাত নিক্ষেপ কৰিবলৈ ক'লে। গঙ্গায়ো দুর্বহ তেজ ধাৰণ কৰিবলৈ অসমর্থ হৈ গঙ্গাস্নান কৰিবলৈ অহা কৃত্তিকাৰ গর্ভত ন্যস্ত কৰিলে। ফলত কৃত্তিকা গর্ভৱতী হয়। সেই গুৰুভাৰ বহন কৰিব নোৱাৰি বেতসবনত ত্যাগ কৰি গুচি গ'ল। তেনে সময়তে শিৱ আৰু পার্বতীয়ে বিমানেৰে যাওঁতে শিশুটিৰ ওপৰত তেওঁলোকৰ দৃষ্টি পৰিল। শিৱই নিজৰ তেজৰ পৰা উৎপন্ন বুলি জানি শিশুটিক তুলি নিলে। শিশুটি ছয় দিনতে সকলো অস্ত্ৰ-শস্ত্ৰত পার্গত হৈ পৰিল। তেওঁ 'কুমাৰ' নামে জনাজাত হ'ল। ইন্দ্ৰাদিৰ অনুৰোধক্ৰমে শিৱই তেওঁক দেৱ সেনাপতি পাতিলে। কুমাৰে অর্থাৎ কার্ত্তিকে তাৰকাসুৰক যুদ্ধত বধ কৰি ইন্দ্ৰক চিন্তামুক্ত কৰিলে।

১.৪.১ কুমাৰসম্ভৱ মহাকাব্যৰ উৎস

শিৱ-পার্বতীৰ পৰিণয়ৰ কথা পু�ৰাণসমূহত সুলভ। এই কাহিনী সংক্ষিপ্তৰূপত পোৱা যায় ব্রহ্মপুৰাণ, কালিকা পুৰাণ আৰু শিৱপুৰাণত। শিৱপুৰাণৰ কাহিনী অতিশয় বিস্তৃত। অৱশ্যে ৰামায়ণৰ পৰাও মহাকবি কালিদাসে কাহিনীভাগ গ্রহণ কৰিছে বুলি পণ্ডিতসকলে যুক্তি দেখুৱাইছে। কাৰণ, কুমাৰসম্ভৱৰ কিছুমান বিষয় ৰামায়ণীয়।

১) তপোবনৰ বসন্তাগম

২) 'কুমাৰ সম্ভৱ'ৰ কাব্যৰ ৰতিৰ বিলাপ ৰামায়ণৰ বালিৰ মৃত্যুৰ পিছত তাৰাৰ বিলাপৰ লগত তুলনা কৰিব পাৰি।

৩) তাৰকাসুৰৰ আখ্যান।

কিন্তু কালিদাস মূলতঃ ৰামায়ণৰ ওচৰত ঋণী হ'লেও শিৱপুৰাণৰ দ্বাৰা তেওঁ প্রভাৱিত হৈছিল বুলি এচাম পণ্ডিতে মতপোষণ কৰে।

কিন্তু উইণ্টাৰনিৎসে (Winternitz) কৈছে যে 'স্কন্দপুৰাণে'ই কবিৰ আদর্শ আছিল। স্কন্দপুৰাণৰ 'শঙ্কৰসংহিতা'ৰ 'শিৱৰহস্য' অংশৰ সৈতে কুমাৰসম্ভৱৰ সাদৃশ্য অত্যন্ত বেছি। 'কুমাৰসম্ভৱ'ৰ প্রথমৰ পৰা সপ্তম সর্গলৈ 'শিৱৰহস্য'ক ভিত্তি কৰিয়েই ৰচিত হৈছে।

বাল্মিকী ৰচিত ৰামায়ণৰ বালকাণ্ডৰ এটা শ্লোকৰ পৰা কালিদাসে তেওঁৰ কাব্যৰ নামাকৰণ কৰিছিল। এই অনুমান যুক্তিসংগত। শ্লোকটি হৈছে—

এষ তে ৰাম গঙ্গায়াঃ বিস্তৰোহভিহিতো ময়া।

কুমাৰসম্ভৱশ্চৈৱ ধন্যঃ পুণ্যস্তথৈৱ চ।। ৰামায়ণ— ১.৩৭.৩১

'কুমাৰসম্ভৱ' মহাকাব্যৰ কথাবস্তুৰ উৎসসম্বন্ধে পণ্ডিতসকলৰ মাজত মতভেদ আছে। কিন্তু কালিদাসে কুমাৰসম্ভৱৰ কথানক অংশত নিজস্ব কৌশল প্রয়োগ কৰিছে।

১.৪.২ কুমাৰসম্ভৱৰ আঠটা সর্গৰ সাৰাংশ

এতিয়া আপুনি 'কুমাৰসম্ভৱ' মহাকাব্যখনৰ প্রথম আঠটা সর্গৰ সাৰাংশ পঢ়িবলৈ পাব।

প্রথম সর্গ ঃ

প্রথমসর্গত শ্লোকৰ সংখ্যা ৬০টা। এই সর্গত হিমালয়ৰ বর্ণনা, সেনাৰ সৈতে বিবাহ, সতীৰ দেহত্যাগৰ দ্বাৰা পার্বতীৰ জন্মগ্রহণ, হিমালয়ত শিৱৰ তপস্যা বর্ণনা, পিতৃৰ উপদেশৰ পার্বতীৰ তপস্যা আচৰণ আদি বর্ণনা কৰিছে। মহাকাব্যৰ আৰম্ভণিতে কবিয়ে হিমালয়ৰ বর্ণনাৰে মাঙ্গলিক শ্লোক পাঠ কৰিছে—

অস্ত্যুত্তৰস্যাং দিশি দেৱতাত্মা হিমালয়ো নাম নগাধিৰাজঃ

পূর্বাপৰো তয়োনিধীৱগাহ্য, স্থিতঃ পৃথিৱ্যাইব মানদণ্ডঃ।। ১।।

উত্তৰ দিশত হিমালয় পৰ্বতৰ স্থিতি, এই হিমালয় দেৱতাৰ প্ৰকৃতিসম্পন্ন, হিমালয় পূব আৰু পশ্চিম সাগৰত প্ৰৱেশ কৰি থিয় হৈ আছে। যেন পৃথিৱী বিস্তাৰনিৰ্ণয়ৰ এক মানদণ্ড। এই হিমালয়ক বৎসৰূপে কল্পনা কৰি আন পৰ্বতসমূহে গো-ৰূপ ধাৰণ কৰি বসুন্ধৰাক দোহন কৰি বহুতো উজ্জ্বল ৰত্ন আৰু মহৌষধি সংগ্ৰহ কৰিছিল। দোহনদক্ষ মেৰুপৰ্বত হৈছে দোহনকাৰী। সেই দোহনৰ উপদেশ দিছিল পৃথুৱে। অন্ধকাৰে দিনৰ পোহৰলৈ ভয় খায় বাবে হিমালয়ে অন্ধকাৰক গোপনে গুহাৰ মাজত ৰাখি সূৰ্যৰ হাতৰ পৰা ৰক্ষা কৰে। শৰণাগত সজ্জন ক্ষুদ্ৰ হ'লেও মহান ব্যক্তিৰ তাৰ প্ৰতি মমতা থাকে. হিমালয়ৰ স্নিগ্ধ সমীৰণৰ গঙ্গাৰ টৌৰ জলকনা দেৱদাৰু গছৰ ওপৰত পৰি গছবোৰ কঁপি উঠে। ময়ূৰৰ পাখিবিলাক বিস্তৃত হৈ শোভাবৰ্দ্ধন কৰি থাকে। এই সমীৰণ চিকাৰৰত কিৰাতসকলে উপভোগ কৰিছিল। মঞ্চৰ বাবে যিসমূহ উপকৰণৰ প্ৰয়োজন তাৰ উৎস হিমালয়। পৃথিৱীৰ ভাৰ ধাৰণৰ বাবে যি শক্তিৰ প্ৰয়োজন, সেই শক্তি হিমালয়ৰ আছে। সৃষ্টিকৰ্তা বিধাতাই বিবেচনা কৰি হিমালয়ক পৰ্বতৰ ৰজা বুলি ঘোষণা কৰিছে। সেইকাৰণে দেৱতাৰ দৰে যজ্ঞভাগৰ এটি অংশ নিৰ্দিষ্ট কৰিছে।

প্ৰজাপতি দক্ষৰ কন্যা, মহাদেৱৰ পূৰ্ব পত্নী সতীয়ে পিতৃৰ মুখত পতিৰ নিন্দা শুনি অপমানত যোগানলত দেহত্যাগ কৰিলে, সেই সতীয়ে পুনৰ হিমালয়ৰ কন্যাৰূপে মেনাৰ গৰ্ভত জন্ম গ্ৰহণ কৰে। উজ্জ্বল প্ৰভাৰে উদ্ভাসিত শিখাৰে প্ৰদীপ যিদৰে উদ্ভাসিত হয়, মন্দাকিনীৰ স্পৰ্শত স্বৰ্গ যিদৰে পৱিত্ৰ হয় বিশুদ্ধ বাক্যৰ দ্বাৰা পণ্ডিত যিদৰে ভূষিত হয়, পাৰ্বতীৰ দ্বাৰাও তেনেদৰে হিমালয় অলংকৃত, পবিত্ৰ আৰু বিভূষিত হ'ল। পিতৃকুলৰ প্ৰিয় সেই কুমাৰীক পিতা হিমালয়ে 'পাৰ্বতী' অৰ্থাৎ পৰ্বতকন্যা ৰূপে মাতিছিল। মহাদেৱক পতিৰূপে পাবৰ বাবে তপস্যা কৰিবলৈ উদ্যত হোৱা পাৰ্বতীক মাতৃয়ে বাৰে বাৰে উ-মা বুলি নিষেধ কৰাৰ বাবে পাৰ্বতীৰ আন এটা নাম 'উমা'। তপস্যাৰ বাবে হিমালয়ৰ কোনো নিভৃত স্থানত চৰ্মপৰিহিত পশুপতি (শিৱ) বাস কৰিছিল। গিৰিৰাজ হিমালয় দেৱতাসকলৰ পূজ্য। তেওঁ পৰমপূজ্য শিৱক অৰ্ঘৰ দ্বাৰা অৰ্চনা কৰিবৰ বাবে হিমালয়ে তেওঁৰ সংযতা কন্যাক আদেশ দিয়াত সখীসকলক লগত লৈ হিমালয়ৰ উচ্চ স্থানত শিৱক আৰাধনা কৰিলে। সমাধিৰ প্ৰতিকূল হ'লেও শিৱই পাৰ্বতীক শুশ্ৰূষাৰ অনুমতি দিলে, কাৰণ বিকাৰৰ কাৰণ থকা স্বত্বেও যিসকলৰ হৃদয় বিকৃত নহয় তেওঁলোকেই প্ৰকৃত ধীৰ।

এই প্ৰথম সৰ্গৰ নাম 'উমাৰ জন্ম'।

দ্বিতীয় সৰ্গ ঃ

দ্বিতীয় সৰ্গত দেৱতাসকলৰ দ্বাৰা ব্ৰহ্মাৰ স্তুতি, তাৰকাসুৰৰ উৎপীড়নৰ কাহিনী ব্ৰহ্মাৰ দ্বাৰা অসুৰ নিধনৰ উপায় নিৰ্দেশৰ বৰ্ণনা পোৱা যায়। দ্বিতীয় সৰ্গত শ্লোকৰ সংখ্যা ৬৪টা।

তাৰকাসুৰে দেৱতাসকলক বিপৰ্যস্ত কৰি তুলিছিল। দেৱতাসকল ব্ৰহ্মালোকত

আৱির্ভাৱ হ'ল। মলিনবদন দেৱতাসকলৰ সন্মুখত চতুমুর্খ ব্রহ্মা উপস্থিত হ'ল। দেৱতাসকলে ব্রহ্মাক স্তুতি কৰিলে। ব্রহ্মাই দেৱতাসকলৰ পৰা জানিব পাৰিলে যে তাৰক নামৰ এক মহাসুৰ ব্রহ্মাৰ বৰত উদ্ধত হৈ উঠিছে। সিয়েই ধূমকেতুৰ দৰে জগতৰ উপদ্রৱৰ কাৰণ হৈছে। চন্দ্রই তাক ষোড়শ কলাৰে সেৱা কৰে। কেৱল শিৱৰ চূড়ান্ত স্থিত চন্দ্রলেখাক স্পর্শ কৰিব পৰা নাই। ঋতুবিলাকে পর্যায়ক্রমে সেৱা কৰাৰ ৰীতি ত্যাগ কৰি একেসময়তে পুষ্পোপহাৰ দি উদ্যান পালকৰ দৰে তাৰকাসুৰক সেৱা কৰে। যাজ্ঞিকসকলে যজ্ঞৰ বাবে সঞ্চয় কৰা হবি তাৰকাসুৰে কাঢ়ি নিয়ে। ইন্দ্রৰ অস্ত্র ব্রজৰেও তাৰ ডিঙি কাটিবলৈ গ'লে ব্রজও কণ্ঠহাৰৰ দৰে শোভা কৰে। অসুৰৰ হাতীয়ে ইন্দ্রৰ ঐৰাৱত হস্তীকো পৰাভূত কৰিছে। সেই কাৰণে এই অসুৰক বধ কৰিবৰ বাবে দেৱ সেনাপতি কামনা কৰিছে। যাতে ইন্দ্রৰ ৰাজলক্ষ্মীক ঘূৰাই আনিব পাৰে। এনেদৰে দেৱতাসকলে তাৰকাসুৰৰ বিভিন্ন উপদ্রৱৰ কথা ব্রহ্মাৰ আগত ব্যক্ত কৰিলে। তেতিয়া ব্রহ্মাই দেৱবৃন্দক ক'লে যে যুদ্ধত উদ্যত সমৰকুশল সেইদৈত্যক একমাত্র মহেশ্বৰ নিক্ষিপ্ত বীর্যবংশৰ অবিহনে আৰু কোনোৱে অসুৰক বধ কৰিব নোৱাৰে। মহাদেৱে তমোগুণক পাৰ কৰি পৰমজ্যোতিত অৱস্থান কৰিছে। তাৰ প্রভাৱ আৰু ঐশ্বর্য্য বিষ্ণুৰ বাহিৰে আন কোনোৱে নোৱাৰে। সেই সমাধিস্থ মহাদেৱক উমাৰ (পার্বতীৰ) সৌন্দর্যৰ প্রতি আকর্ষিত কৰিব লাগিব কাৰণ শিৱ বীর্য ধাৰণ কৰিবলৈ একমাত্র পার্বতীয়েই সক্ষম। এনেদৰে কৈ ব্রহ্মা অন্তর্দ্ধান হ'ল। তাৰ পিছত ইন্দ্রই মহেশ্বৰৰ হৃদয়াকর্ষণৰ বাবে কন্দর্প আৰু বসন্তৰ বন্দনা কৰিলে। 'কুমাৰসম্ভৱ' মহাকাব্যৰ এই দ্বিতীয় সর্গক 'ব্রহ্ম সাক্ষাৎকাৰ' বুলি কোৱা হয়।

তৃতীয় সর্গ ঃ

তৃতীয়সর্গত মুঠ শ্লোকৰ সংখ্যা ৭৬টা। দেৱকার্যত মদনক নিয়োগ, ৰুদ্রৰ তপোবনত অকাল বসন্ত, শিৱৰ সেৱাকার্যত পার্বতীৰ নিয়োগ আৰু মদনভস্ম আদিয়েই এই সর্গৰ বর্ণনীয় বিষয়।

দেৱৰাজ ইন্দ্রই কামদেৱক তপস্যাৰত মহাদেৱৰ তপস্যা ভঙ্গ কৰি গিৰিৰাজ হিমালয়ৰ কন্যা পার্বতীক আকৃষ্ট কৰাবলৈ নির্দেশ দিছিল। ইন্দ্রৰ নির্দেশানুসৰি বসন্তক সহায়ৰূপে লৈ পত্নী ৰতিকো লগত লৈ মহাদেৱৰ তপস্যাস্থানত উপস্থিত হ'ল আৰু অকাল বসন্তৰ আৱির্ভাব কৰিলে। তাতে তপস্যাৰত মহাদেৱৰ ভয়ংকৰ মূর্ত্তি দর্শন কৰি কামদেৱ কিংকর্ত্তব্যবিমূঢ় হৈ পৰিল। সেই সময়তেই মহাদেৱৰ শুশ্রূষা কার্যত ব্রতী থকা পার্বতীক কামদেৱে দেখা পালে আৰু পার্বতীৰ অপৰূপ সৌন্দর্যক ইন্ধন হিচাপে লৈ তেওঁ মহাদেৱৰ তপস্যা ভঙ্গ কৰিবলৈ চিন্তা কৰিলে। সেই উদ্দেশ্যে কামদেৱ পুষ্প ধনুৰ পৰা পুষ্পবাণ মহাদেৱলৈ নিক্ষেপ কৰিলে। পৰমাত্মাৰ চিন্তাত নিমগ্ন থকা মহাদেৱৰ তপস্যা প্রায় সমাপ্ত হৈছিল। হঠাতে তেওঁৰ অন্তৰত এক আকস্মিক শিহৰণ অনুভৱ কৰিলে, সেয়া আছিল কামদেৱৰ শৰ নিক্ষেপৰ প্রতিক্রিয়া। তেতিয়া কাম দেৱেই যে

তেওঁৰ ধৈর্যচ্যুতিৰ হেতু সেয়া মহাদেৱৰ বুজিবলৈ বাকী নাথাকিল। সেই কাৰণে ক্রোধত অগ্নিশর্মা হৈ তেওঁৰ কপালস্থ তৃতীয় নেত্রৰ পৰা এক উজ্জ্বল জ্যোতি নির্গত হৈ কামদেৱক ভস্মীভূত কৰিলে। লগত যোৱা ৰতিয়ে হঠাতে হোৱা এনে দুর্ঘটনা সহ্য কৰিব নোৱাৰি মূর্চ্ছা গ'ল। পার্বতীয়ে কেতিয়াও মনেৰে চিন্তা নকৰা এনে এক অলৌকিক কার্য দেখি স্থিৰেৰে থাকিব নোৱাৰিলে আৰু পিতৃ হিমালয়ে তেওঁ লৈ প্রস্থান কৰিলে। ইয়াতেই মহাকাব্যৰ তৃতীয় সর্গৰ অন্ত পৰিছে।

এই সর্গৰ নাম 'মদনভস্ম' বা 'কামদহন'।

চতুর্থসর্গ ঃ

চতুর্থসর্গত মুঠ শ্লোকৰ সংখ্যা ৪৬টা। এই সর্গত ৰতিৰ বিলাপ, স্বামীৰ চিতাত উঠি সহমৰণৰ প্রার্থনাৰ বর্ণনা আছে। এই সর্গক 'ৰতিবিলাপ' বুলি কোৱা হয়। শিৱৰ দ্বাৰা ভস্মীভূত হোৱা ৰতিৰ বিলাপ আৰম্ভ হ'ল। বহুদিন বিলাপ কৰি ৰতিয়ে বসন্তক ক'লে— 'তুমি চিতা প্রস্তুত কৰা, স্বামীৰ মৃত্যুৰ পিছত জীয়াই থাকিবলৈ নিবিচাৰো।' চিতাৰ আয়োজন চলি থাকোতেই দৈৱবাণী শুনা গ'ল— 'স্বামীৰ সৈতে তোমাৰ বিচ্ছেদ ক্ষণস্থায়ী।' তাপসী পার্বতীৰ প্রতি অনুৰক্ত হৈ শিৱই যেতিয়া পার্বতীক বিবাহ কৰিব তেতিয়াই শিৱৰ বৰত মদনে পুনৰ প্রাণ ঘূৰাই পাব।

এনেদৰেই আৰম্ভ হ'ল— স্বামীৰ বাবে ৰতিৰ প্রতীক্ষা।

পঞ্চমসর্গ ঃ

পঞ্চমসর্গক— 'তপঃ ফলোদয়' বুলি কোৱা হয়। এই সর্গত উমাৰ তপস্যা, উমা আৰু ছদ্মবেশী শিৱৰ কথোপকথন আৰু শেষত চন্দ্রশেখৰ শিৱৰ আত্মপ্রকাশ ঘটিছে। এই সর্গত শ্লোকৰ সংখ্যা ৪৬টা।

পঞ্চমসর্গত দেখা যায় পিতৃৰ অনুমতি লৈ সখীসকলৰ সৈতে পার্বতীয়ে হিমালয়ৰ উচ্চ শিখৰলৈ গমন। আৰম্ভ হ'ল কঠোৰ তপস্যা। বাহ্যিক ৰূপেৰে তেওঁ মহাদেৱক আকৃষ্ট কৰিব নোৱাৰিলে, সেই কাৰণে তপস্যাৰ দ্বাৰাই তেওঁৰ মন জয় কৰিবলৈ সংকল্প কৰিছে। শিৱকেই তেওঁ স্বামীৰূপে লাভ কৰিব এয়েই সংকল্প। পিতৃ-মাতৃৰ অনুমতি লৈ তেওঁ গুচি আহিছে এক নিভৃত গিৰি শিখৰলৈ। প্রৱল শীত, প্রচণ্ড গ্রীষ্ম, অনাহাৰে দিনৰ পিছত দিন কঠোৰ সাধনা আৰম্ভ কৰিলে। ফুলৰ আঘাটো যি গৰাকীয়ে সহ্য কৰিব নোৱাৰিছিল তেওঁ ভূমিশয্যাত শয়ন কৰিছে। কেতিয়াবা চাৰিওফালে চাৰিকুৰা জুই জ্বলাই ওপৰত সূর্যক লৈ অনিমেষ দৃষ্টিৰে সূর্যলৈ চাই থাকে। কেতিয়াবা শীতকালত পানীত ডিঙিলৈকে ডুবি থাকে, কেতিয়াবা ধাৰাসাৰ বৰষুণত বহি থাকে।

পার্বতীৰ এনে কঠোৰ তপস্যাত মহাদেৱ সন্তুষ্ট হৈ ব্রহ্মচাৰী বেশেৰে পার্বতীৰ আগত দেখা দিলে আৰু তপস্যাৰ উদ্দেশ্যৰ কথা সুধিলে। নানা প্রশ্ন সোধাৰ বাবে পার্বতী আতৰি যাব খোজোতেই মহাদেৱে দেখা দিলে। পার্বতীৰ জয় হ'ল। পিছত নিজক মহাদেৱলৈ দান দিবৰ বাবে পিতৃৰ পৰা অনুমতি ল'বলৈ প্রার্থনা জনালে।

ষষ্ঠ সর্গ ঃ

কুমাৰসম্ভৱৰ ষষ্ঠ সর্গক 'উমা প্রদান' বুলি জনা যায়। এই সর্গত শ্লোকৰ সংখ্যা ৯৫টা। ইয়াত সপ্তর্ষিৰ বর্ণনা, সপ্তর্ষিৰ শিৱ বন্দনা, শিৱৰ সৈতে পার্বতীৰ বিবাহ প্রস্তাৱ আৰু হিমালয়ৰ অনুমোদন।

কোনো এদিন পার্বতীয়ে সখীৰ মুখেদি শিৱৰ ওচৰত প্রার্থনা জনালে। পিতৃয়ে যাতে তেওঁক শিৱলৈ সম্প্রদান কৰাৰ ব্যৱস্থা কৰে। শিৱই সেয়ে হ'ব বুলি জনালে। মহাদেৱে সপ্তর্ষিক স্মৰণ কৰিলে আৰু লগে লগে সাতজন ঋষি শিৱৰ ওচৰত উপস্থিত হয়। তেওঁলোক হ'ল— মৰীচি, অত্রি, অঙ্গিৰা, পুলহ, পুলস্ত্য, ক্রতু আৰু বশিষ্ঠ। লগত আছে বশিষ্ঠৰ পত্নী অৰুন্ধতী। শিৱৰ নির্দেশ ক্রমে তেওঁলোক হিমালয়লৈ আহিছে শিৱ-পার্বতীৰ বিবাহৰ প্রস্তাৱ লৈ। হিমালয়ে আনন্দেৱে অনুমতি দিলে। কন্যাক (পার্বতীক) ঋষিসকলৰ সন্মুখলৈ আনি ক'লে যে আজি তোমাক মহাদেৱৰ হাতত ভিক্ষা হিচাবে দান কৰিলো। পার্বতীয়ে সপ্তর্ষিক প্রণাম জনালে।

সপ্তম সর্গ ঃ

সপ্তম সর্গত শিৱ-পার্বতীৰ বিবাহৰ কথা বর্ণনা কৰা হৈছে। এই সর্গত শ্লোকৰ সংখ্যা পঞ্চানব্বৈটা। হিমালয়ে জানিব বিচাৰিলে কেতিয়া বিবাহৰ শুভলগ্ন। সপ্তর্ষিসকলে জনালে তিনিদিনৰ পিছত চতুর্থদিনত। লগে লগে উৎসৱৰ আয়োজন আৰম্ভ হ'ল হিমালয় আৰু কৈলাসত। বিবাহৰ সাজেৰে সজ্জিত হ'ল মহাদেৱ। কেৱল তেওঁৰেই নহয় বৃষভকো সজোৱা হ'ল ব্যাস চর্মৰ আচ্ছাদনে। বৃষভাৰূঢ় শঙ্কৰৰ পিছে পিছে গ'ল অষ্টমাতৃকা, তেওঁৰ পিছে পিছে আহিল কৃষ্ণবর্ণা মহাকালী। বৰযাত্রীৰ দলত সকলোৰে আগত আছিল। শিৱৰ অনুচৰবর্গৰ প্রথমগণ। সপ্তর্ষিসকলক শিৱই ক'লে যে এই বিবাহত সপ্তঋষি পুৰোহিত হ'ব লাগিব।

শিৱৰ প্রশংসাস্তুতি গন্ধর্বসকলৰ কণ্ঠত শুনা গ'ল। বিবাহযাত্রা আৰম্ভ হ'ল। হিমালয়ৰ 'ঔষধিপ্রস্থ' নগৰৰ পথে পথে অজস্র ফুল চতিয়াই দিয়া হ'ল। স্বয়ং হিমালয় আহিল অভ্যর্থনাৰ বাবে। ফুলৰ পথেৰে আহি শিৱই এটা সুন্দৰ মন্দিৰৰ ফালে যাত্রা কৰিলে। শাস্ত্রীয় অনুষ্ঠান আৰম্ভ হ'ল। পার্বতী মনে মনে বহি আছিল। শিৱই ধ্রুৱ নক্ষত্রদর্শন কৰিবলৈ গৈ পার্বতীক ক'লে— 'সেয়া ধ্রুৱনক্ষত্র চোৱা'। অস্ফুটমধুৰ কণ্ঠেৰে পার্বতীয়ে ক'লে— 'দেখিছো'। তাৰ পিছত শিৱৰ মুখলৈ চালে।

অষ্টম সর্গ ঃ

অষ্টম সর্গ প্রধানতঃ শিৱ-পার্বতীৰ বিবাহৰ পিছৰ কথাসমূহ বর্ণনা কৰা হৈছে। ইয়াত শ্লোকৰ সংখ্যা একানব্বৈ টা। পার্বতী বর্তমান তপস্বিনী নহয়। বহু সাধনাৰ দ্বাৰা তেওঁ আৰাধ্য দেৱতাক স্বামীৰূপে লাভ কৰিছে। প্রথম মিলনৰ সেই আনন্দ মুখৰ দিনবিলাক এক ৰোমাঞ্চকৰ আৱেশৰ মাজত পাৰ হ'বলৈ ধৰিলে। এমাহ ঔষধিপ্রস্থ নগৰত পাৰ কৰিলে। পার্বতীক লৈ শিৱই বিচিত্র অঞ্চলত ফুৰিছে, সেয়া হ'ল মেৰু,

কৈলাস, মন্দৰ, মলয় প্রভৃতি পর্বতত।

এনেদৰে পৰম আনন্দেৰে শিৱ-পার্বতীয়ে দিন পাৰ কৰিলে। তপস্বিনী পার্বতীৰ বাবে সেয়া এক পৰম প্রাপ্তি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ কুমাৰসম্ভৱকেইটা সর্গত বিভক্ত? পণ্ডিতসকলে কালিদাসে ৰচনা কৰা সর্গকেইটা বুলি ক'ব খোজে।

.....

প্রশ্ন নং ৮ঃ পঞ্চমহাকাব্য বুলিলে কাক বুজায়?

.....

প্রশ্ন নং ৯ঃ কুমাৰসম্ভৱৰ উৎস হিচাবে গ্রহণ কৰিব পৰা গ্রন্থ দুখনৰ নাম কি?

.....

প্রশ্ন নং ১০ঃ কুমাৰসম্ভৱৰ তৃতীয়সর্গত কেইটা শ্লোক আছে?

.....

প্রশ্ন নং ১১ঃ ৰামায়ণৰ সৈতে মিল থকা কুমাৰ সম্ভৱৰ বিষয়কেইটা কি কি?

.....

প্রশ্ন নং ১২ঃ কালিদাসে ৰচনা কৰা আনখন মহাকাব্যৰ নাম কি?

.....

১.৪.৩ কুমাৰসম্ভৱ মহাকাব্যৰ নামাকৰণৰ তাৎপর্য্য

এতিয়া আপুনি মহাকাব্যখনৰ শিৰোনামৰ তাৎপর্যৰ বিষয়ে জানিব পাৰিব—

মহাকবি কালিদাসে 'কুমাৰসম্ভৱ' মহাকাব্যৰ নামকৰণ কাব্যখনৰ মূল বিষয়বস্তুৰ ওপৰত নির্ভৰ কৰি কৰিছে। শিৱ আৰু পার্বতীৰ মিলনত কুমাৰ বা কার্তিকৰ জন্মৰ কথা সূচিত হৈছে। 'কুমাৰস্য সম্ভৱঃ' (উৎপত্তিঃ)। কুমাৰ বা কার্তিকেই হৈছে দেৱসেনাপতি। তাৰকাসুৰ বধৰ কাৰণে দেৱসেনাপতি লাভেই হৈছে কাব্যৰ মূল বিষয়বস্তু। তাৰকাসুৰৰ অত্যাচাৰত ভীত, সন্ত্রস্ত, অসহায় দেৱতাসকলে বিপদৰ পৰা ৰক্ষা পাবৰ কাৰণে ব্রহ্মাৰ ওচৰলৈ গৈ প্রার্থনা জনালে। তেতিয়া ব্রহ্মাই দেৱসেনাপতিৰ বিষয়ে ক'লে যে শিৱ-পার্বতীৰ ঔৰষত জন্ম হোৱা পুত্রইহে তাৰকাসুৰক বধ কৰিব পাৰিব। এই প্রার্থনা পূৰণৰ নিমিত্তে পার্বতীয়ে হিমালয়ৰ কন্যাৰূপে জন্মগ্রহণ কৰে। ইফালে হিমালয়ত কঠোৰ তপস্যাত ৰত মহাদেৱৰ সৈতে পার্বতীক আকর্ষিত কৰিবলৈ চেষ্টা কৰা হৈছে। অৱশ্যে শেষপর্যন্ত পার্বতীৰ সৈতে মিলন ঘটিছে। তাৰ ফলস্বৰূপে দেৱসেনাপতি কার্তিকৰ জন্ম হৈছে। সেইবাবে মহাকবি কালিদাসে নায়কৰ নামেৰে কাব্যৰ নাম 'কুমাৰসম্ভৱ' ৰখাটো উপযুক্ত হৈছে।

১.৪.৪ কুমাৰসম্ভৱ মহাকাব্যখনৰ টীকা

আপুনি নামাকৰণৰ বিষয়ে ইয়াৰ আগতে জানিব পাৰিলে। এতিয়া আপুনি কুমাৰসম্ভৱ মহাকাব্যৰ টীকাকাৰসকলৰ বিষয়ে জানিব পাৰিব।

মল্লিনাথ হৈছে কুমাৰসম্ভৱ মহাকাব্যৰ প্ৰধান টীকাকাৰ। মল্লিনাথে আঠটা সৰ্গলৈ টীকা ৰচনা কৰিছে।

কুমাৰসম্ভৱ মহাকাব্যৰ ওপৰত মুঠ ৩০টা টীকা পোৱা যায়। ইয়াৰ ভিতৰত পঁচিশজন টীকাকাৰৰ নামহে পোৱা যায়।

টীকাকাৰসকলৰ ভিতৰত সকলোতকৈ প্ৰখ্যাত হৈছে মল্লিনাথ। তেওঁৰ টীকাৰ নাম হৈছে 'সঞ্জীৱিনী'। ইয়াৰোপৰি অন্যান্য টীকাকাৰসকলৰ নাম হ'ল— হেমাদ্ৰি, চৰিত্ৰবৰ্দ্ধন, বল্লভ, দিনকৰ, ভৰতসেন, অৰুণগিৰিনাথ, নাৰায়ণ, সুমতি বিজয়, বিজয়গণি, বিজয়ানন্দ, দক্ষিণাৱৰ্ত, ভোজ, কৃষ্ণভট্ট, গোপিকানাথ কবিৰাজ, প্ৰভাকৰ, জনার্দ্দন, উদয়কৰ, ভগীৰথ, বৃহস্পতি মিশ্ৰ, কৃষ্ণপতি শৰ্মা, ভৱদেৱ মিশ্ৰ, গুণবিনয়গণি, ৰামচন্দ্ৰ, মহেশ্বৰ আদি।

১.৫ চৰিত্ৰ-চিত্ৰণ

চৰিত্ৰ চিত্ৰণৰ ওপৰত এখন মহাকাব্যৰ সফলতা বহুখিনি নিৰ্ভৰ কৰে। মহাকবি কালিদাসে অতি নিপুণভাৱে 'কুমাৰসম্ভৱ' মহাকাব্যত চৰিত্ৰসমূহ অংকন কৰিছে। কুমাৰসম্ভৱৰ চৰিত্ৰসমূহ দেৱতা। ঘটনাস্থল দেৱলোক। দেৱতাৰ চৰিত্ৰলৈয়ে 'কুমাৰসম্ভৱ' ৰচিত হৈছে যদিও কবিয়ে দেৱতা মহিমা বা অলৌকিক চৰিত্ৰ বৰ্ণনা কৰি কাব্যৰস নাইকিয়া হ'বলৈ দিয়া নাই। স্বৰ্গৰ দেৱ-দম্পতীৰ মিলন মাধুৰ্যৰে সপিপাসু সহৃদয় পাঠকৰ অন্তৰত অলৌকিক আনন্দৰ সৃষ্টি কৰিছে। দেৱতাৰ চৰিত্ৰসমূহত মানৱীয় ভাৱ-ভঙ্গী, আশা-আকাঙ্ক্ষা, হৰ্ষ-বিষাদ, ৰাগ-অনুৰাগ আদি গুণসমূহেৰে ৰূপায়িত কৰি এখন অভিনৱ মহাকাব্যৰ সৃষ্টি কৰিছে।

মদন ঃ

মদন বা কামদেৱ প্ৰেমৰ অধীশ্বৰ, তেওঁ ৰূপত মনোমোহা। ফুল-নিৰ্মিত তেওঁৰ ধনু, পাঁচবিধ ফুলেই হ'ল তেওঁৰ ধনুৰ অব্যৰ্থ বাণ। ফুলৰ ধনু হোৱাৰ বাবে তেওঁৰ দুৰ্জয় সাহস। দেৱতাসকলক সহায় কৰিবলৈ সদায় ইচ্ছুক। দেৱৰাজ ইন্দ্ৰৰ ব্ৰজৰ অসাধ্য কাৰ্যকো ফুলৰ ধনুৰে সাধন কৰে। সময় আৰু সুযোগ বুজি সমাধিস্থ মহাদেৱলৈ বাণ নিক্ষেপ কৰিলে। 'কামস্তু বাণাৱসৰং প্ৰতীক্ষ্য পতঙ্গৱদ্বহ্নিমুখং ৱিৱিক্ষুঃ।' (কুমাৰসম্ভৱ—৩/৬৪)। শিৱৰ অসীম সংযম শক্তিয়ে মদনৰ গৰ্ব চূৰ্ণ কৰিলে। মহাদেৱৰ ক্ৰোধত কপালস্থ তৃতীয় নেত্ৰৰ পৰা ওলোৱা অগ্নিয়ে কামদেৱক ভস্মীভূত কৰিলে। মদন এগৰাকী বিশ্বস্ত ভৃত্য, গৰাকীৰ (ইন্দ্ৰৰ) উদ্দেশ্য সাধন কৰিবলৈ প্ৰয়োজন হ'লে নিজৰ জীৱন উচ্ছৰ্গা কৰিব বুলিও প্ৰতিজ্ঞা কৰিছিল। সহধৰ্মিনী ৰতিৰ প্ৰতি তেওঁৰ স্নেহ আছিল অকৃত্ৰিম। বসন্ত হৈছে কামদেৱৰ সখা।

মেনকা ঃ

মেনকা হিমালয়ৰ ধর্মশীলা পত্নী। পার্বতীৰ স্নেহময়ী জননী। মেনকা আছিল পিতৃসকলৰ মানসী কন্যা, মুনিসকলৰো সন্মানীয়া।

এই অংশত আপুনি মহাকাব্যখনৰ হিমালয়, মহাদেৱ, পার্বতী, কামদেৱ, ৰতি, মেনকাৰ চৰিত্রৰ লগত পৰিচয় হ'ব পাৰিব।

হিমালয় ঃ

কবিয়ে হিমালয়ক 'নগাধিৰাজ' বুলি মানৱীয় চৰিত্রৰে অংকিত কৰিছে। হিমালয় পার্বতীৰ স্নেহশীলপিতা। পুত্রতকৈও কন্যাৰ প্রতি তেওঁ স্নেহ অধিক। কিন্তু কন্যাৰ সাধনা কষ্টসাধ্য হ'লেও তাত তেওঁ বাধা প্রদান নকৰে। কন্যা পার্বতীৰ উপযুক্ত পাত্রৰ বাবে উপযুক্ত ঘটকৰ সন্মুখতহে কন্যাদানৰ সন্মতি প্রকাশ কৰে। হিমালয়ে বিধি অনুসাৰে কৰা আতিথ্য সৎকাৰ দেখিলে এজন আদর্শ গৃহাশ্রমীৰ চিত্র মনলৈ আহে। গৃহ্যসূত্রৰ বিধি অনুসাৰে হিমালয়ে কন্যা পার্বতীক শিৱলৈ সম্প্রদান কৰে।

শিৱ ঃ (মহাদেৱ) আৰু পার্বতী ঃ

পার্বতী পূর্বজন্মত দক্ষ-দুহিতাসতী, মহাদেৱৰ পূর্বপত্নী। দক্ষযজ্ঞত অপমানিতা হৈ সতীয়ে যোগবলেৰে শৰীৰ ত্যাগ কৰি পুনঃ হিমালয় আৰু মেনকাৰ কন্যাৰূপে জন্ম গ্রহণ কৰে।

অথাৱমানেন পিতুঃ প্রযুক্তা দক্ষস্য কন্যা ভৱপূর্বপত্নী।

সতীসতী যোগবিসৃষ্টদেহা তাংজন্মনে শৈলৱধুং প্রপেদে।।

(কুমাৰসম্ভৱ— ১/২১)

মহাদেৱৰ চৰিত্র আলোকসামান্য আৰু অচিন্তনীয়— 'আলোকসামান্য মচিন্ত্যহেতুকম্'— (কুমাৰসম্ভৱ-৫/৭৫)। কিয়নো বিৰূপাক্ষ হ'লেও তেওঁ শিৱৰূপে বর্ণিত, দৰিদ্র হ'লেও তেওঁ সকলো সম্পদৰ উৎস, শ্মশানবাসী হ'লেও তেওঁ ত্রিলোকৰ অধীশ্বৰ। তেওঁৰ ডিঙি সর্পবেষ্টিত আৰু শ্মশান ভস্ম মণ্ডিত, হাতত নৰকংকাল, কপালত চন্দ্রকলা আৰু তেজৰ সোঁত বৈ থকা গজচর্মই তেওঁৰ পৰিধেয় বস্ত্র। ৰূপেৰে তেওঁক বশীভূত কৰিব নোৱাৰি। কামদেৱৰ শক্তিশালী বাণে তেওঁক স্পর্শ কৰিব নোৱাৰে। মদনক তেওঁ ভস্মীভূত কৰে। শিৱৰ বাহন হৈছে বৃষভ (ষাড়গৰু), নৃত্য তেওঁৰ সবাতোকৈ প্রিয়। তেওঁ অনাদি কিন্তু বিশ্বস্রষ্টা বিশ্বমূর্তি। তেওঁ যথার্থভাৱে জনা অসম্ভৱ। তেওঁ সন্তুষ্ট হ'লে ভক্তৰ দাস হিচাবে তেওঁ আত্মসমর্পণ কৰে— 'তৱাস্মি দাসঃ।' গিৰিৰাজ কন্যাৰ কুলক্রমাগত নাম পার্বতী (পর্বতকন্যা), মাতৃ মেনকাই পার্বতীক তপশ্চর্যাত প্রবৃত্ত হোৱা দেখি তেওঁক উ-মা বুলি নিষেধ কৰা হেতু তেওঁৰ নাম হয় 'উমা'।

(উমেতি মাত্রা তপসো নিষিদ্ধা পশ্চাদুমাখ্যাং সুমুখি জগাম) উ অর্থাৎ হে বাছা, মা অর্থাৎ নকৰিবা। এইদৰে কৈ মাতৃয়ে তপশ্চৰণ কৰিবলৈ নিষেধ কৰিছিল। পার্বতীৰ ৰূপ-লাৱণ্য অতুলনীয়। বিধাতাই জগতৰ সকলো সৌন্দর্য একে ঠাইতে চাবলৈ হেঁপাহ কৰি সর্বাঙ্গ সুন্দৰী পার্বতীক যেন নির্মাণ কৰিছিল। 'সা নির্মিতা ৱিশ্বসৃজা প্রযত্নাদেকস্থ সৌন্দর্যদিদৃক্ষয়েৱ।'

(কুমাৰসম্ভৱ—১/৪৯)

গিৰিৰাজৰ কন্যা হ'লেও পার্বতীয়ে সাধাৰণ ছোৱালীৰ দৰে সখীসকলৰ সৈতে মন্দাকিনীৰ বালিত বেদী সাজে, কন্দুক খেলে। পার্বতী আছিল মেধাৱিনী, সেয়েহে তেওঁ অতি কম সময়ৰ ভিতৰতে সকলো বিদ্যাত পাৰদর্শী হৈ পৰিছিল। যি সময়ত মহাদেৱ হিমালয়ৰ সানুদেশত (অধিত্যকাত) তপস্যাত নিমগ্ন আছিল সেই সময়ত পার্বতীয়ে সখী সকলেৰে সৈতে তেওঁৰ সাধনাৰ সামগ্রীবোৰ যোগান ধৰিছিল। শুশ্রূষাপৰায়ণা পার্বতীৰ আচৰণত মহাদেৱ সন্তুষ্ট হয়। এনেতে সেই ঠাইত পুষ্পধন্বা কামদেৱ সেই তপোভূমিত উপস্থিত হৈ মহাদেৱৰ ধ্যান ভঙ্গ কৰিবলৈ অপচেষ্টা কৰাৰ ফলত মহাদেৱৰ ক্রোধত নিজেই ভস্মীভূত হয়। পার্বতীয়ে নিজৰ ৰূপ-যৌৱনেৰে মহাদেৱক জয় কৰিব নোৱাৰিলে, কিন্তু হতাশ নহ'ল অসীম সাহস, ধৈর্য আৰু দৃঢ়তাৰে মহাদেৱক স্বামীৰূপে লাভ কৰিবলৈ তপস্যাত ব্রতী হ'ল। নগাধিৰাজৰ ৰাজকুমাৰী হ'লেও পার্বতীয়ে নিজৰ অভিপ্রেত উদ্দেশ্য সাধনৰ বাবে কঠোৰ তপস্যা কৰিবলৈকো পার্বতীয়ে কুণ্ঠাবোধ নকৰিলে। পার্বতীৰ কঠোৰ তপস্যাই ঋষি-মুনিকো স্তম্ভিত কৰিলে। আনহে নালাগে গছৰ সৰাপাত এখিলাও ভক্ষণ নকৰি তেওঁ পঞ্চাগ্নিসাধনত নিমগ্না হ'ল। অৱশেষত মহাদেৱ সন্তুষ্ট হ'ল, তথাপি পার্বতীৰ ভক্তি পৰীক্ষা কৰিবলৈ মহাদেৱে ছদ্মবেশী ব্রহ্মচাৰীৰূপে পার্বতীৰ সম্মুখত উপস্থিত হৈ শিৱৰ নিন্দা কৰিবলৈ ধৰিলে। পার্বতীয়ে শিৱনিন্দা সহ্য কৰিব নোৱাৰি যথোচিতভাৱে তাৰ প্রতিবাদ কৰিলে আৰু ক'লে— 'আপুনি শিৱক যি বুলিয়েই নাভাবক লাগিলে, তেওঁৰ অনুৰাগত মোৰ মন স্থিৰ।

'মমাত্র ভাৱৈকৰসং মনঃ স্থিতম্।' (কুমাৰসম্ভৱ— ৫/৮২)

সেয়েহে আৰাধ্য দেৱতাৰ নিন্দাবাণী শুনাটো পাপ বুলি কৈ সেই ঠাইৰ পৰা আঁতৰি যাবলৈ থিয় হ'ল। ঠিক সেই মুহূর্ততে মহাদেৱৰ ছদ্মবেশ অদৃশ্য হ'ল। শিৱৰ স্বমূর্ত্তি দৃশ্যমান হৈ উঠিল। পার্বতীৰ ঐকান্তিক ভক্তি সাধনা আৰু দৃঢ়সঙ্কল্প দেখি মহাদেৱ সন্তুষ্ট হ'ল আৰু তেওঁক পত্নীৰূপে গ্রহণ কৰিবলৈ স্বীকাৰ কৰিলে। এই বাদানুবাদৰ মাজেদি পার্বতীৰ ভক্তিজ্ঞান আৰু উপস্থিত বুদ্ধিৰ পৰিচয় পোৱা যায়।

ৰতি ঃ

ৰতি এগৰাকী সাধাৰণ নাৰী, মদনৰ প্রিয় পত্নী। ৰতিয়ে জানে পতিয়েই তেওঁৰ একমাত্র গতি। মদনৰ জীৱনৰ ওপৰতেই তেওঁৰ জীৱন নির্ভৰশীল। ৰতি আৰু মদনৰ প্রেম দৈহিক সুখ সম্ভোগত পর্যবসিত। তাত কোনো আধ্যাত্মিক ভাৱ বা প্রেমৰ উচ্চ আদর্শ নাই। মদনৰ সাহসৰ কথা তেওঁ জানে। তথাপি মনৰ সন্দেহ আতৰ নহয়, এই ক্ষেত্রত কিজানিবা অঘটন ঘটে। তেওঁ মদনৰ দেহাৱসানৰ লগে লগে মূর্চ্ছিতা হয়। পার্বতীৰ দৰে তেওঁৰ মনৰ বল, সাহস ধৈর্য আৰু দৃঢ়তা নাই।

মদনৰ প্রতি তেওঁৰ ভালপোৱা অসীম। মদনৰ অবিহনে তেওঁ এক মুহূর্তত জীয়াই থাকিবলৈ নিবিচাৰে— 'মদনেন ৱিনাকৃতা ৰতিঃ ক্ষণমাত্রং কিল জীৱিতেতি মে'। (কুমাৰসম্ভৱ— ৪/২১)। সেয়েহে তেওঁ মদনৰ বন্ধু বসন্তক অনুৰোধ কৰিলে যে অতি সোনকালে চিতাগ্নি জ্বলাই তেওঁক দাহন কৰিব লাগে যাতে তেওঁ গৈ মদনৰ লগত মিলিত হ'ব পাৰে। মদনেৰে

সৈতে ৰতিৰ পুনর্মিলনৰ আশ্বাস বাণীৰে বসন্তই কথমপি ৰতিক তেওঁৰ সঙ্কল্পৰ পৰা বিৰত কৰালে। ৰতিৰ বিলাপৰ মাজেদি কালিদাসে ৰতিৰ স্বামীৰ প্রতি ভক্তি আৰু বিশ্বাসৰ পৰাকাষ্ঠা দেখুৱাইছে।

১.৫.১ সমীক্ষা

মহাকবি কালিদাসে কুমাৰসম্ভৱত শিৱ, পার্বতী আৰু মদনৰ বিবিধ কার্যৰ বর্ণনা নিজকে ব্যাপৃত কৰিছে। শিৱৰ দ্বৈতৰূপ বর্ণনাত কবিয়ে নিপুণত প্রদর্শন কৰিছে। শিৱৰ ভয়ানক 'ৰৌদ্র'ৰূপ আৰু শৈৱৰূপ বা কল্যাণময় ৰূপ দুয়োটি ৰূপ প্রকাশ পাইছে। যোগত প্রবৃত্ত শিৱই নাৰীৰ পৰা আতৰি ফুৰিবলৈ বিচাৰে। ইন্দ্রিয় নিগ্রহ কৰি তেওঁ যোগযুক্ত হৈ নিভৃতে বাস কৰিছে। তেনে অৱস্থাত মদনে তেওঁক পার্বতীৰ প্রতি প্রলব্ধ কৰিবলৈ যত্ন কৰাত ক্রোধাবিষ্ট হৈ মদনক ভস্মীভূত কৰিলে। আনহাতে শিৱকল্যাণৰ প্রতিমূর্তি। পার্বতীৰ ভক্তিপূর্ণা, শ্রদ্ধাময়ী তপশ্চর্য্যাই তেওঁক সহজে জয় কৰিছে। পার্বতীৰ প্রতি সন্তুষ্ট হৈ তেওঁৰ স্বামী হ'বলৈ সম্মত হৈছে। পার্বতীয়ে ভাবিছিল বসন্তৰ আগমনত মদনৰ প্রৰোচনাত পার্বতীৰ ৰূপত শিৱ আসক্ত হৈ পৰিব। কিন্তু মহাদেৱৰ ক্রোধত পতন হোৱা মদনক দেখি পার্বতীয়ে নিজৰ ৰূপ-সৌন্দর্যৰে যে শিৱক জয় কৰিব নোৱাৰিব সেই কথা জানিব পাৰিলে। সেয়েহে তেওঁ তপস্যাৰ দ্বাৰা শিৱৰ মন জয় কৰিবলৈ দৃঢ়সংকল্প ল'লে। ভাৰতীয় সংস্কৃতি ভোগ প্রধান নহয় ত্যাগৰ মহিমাৰে মণ্ডিত। এই কথাই মহাকাব্যখনিত প্রতিফলিত কৰিছে। মহাকবি কালিদাসে সমকালীন ভাৰতবর্ষৰ ভৌগোলিক, ঐতিহাসিক তথা সাংস্কৃতিক তথ্যৰ আভাস দিছে। 'কুমাৰসম্ভৱ' মহাকাব্যৰ প্রধান ৰস শৃঙ্গাৰ, মদনদাহত ৰৌদ্ৰৰস, ৰতিৰ বিলাপত কৰুণ ৰস দেখা যায়। ইন্দ্র আৰু কামদেৱৰ কথোপকথনত আৰু যুদ্ধৰ বর্ণনাত বীৰৰস প্রকাশ পাইছে।



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- কাব্যৰ ভাগ আৰু মহাকাব্যৰ লক্ষণৰ বিষয়ে কিছু চমু আভাস লাভ কৰিলে।
- কুমাৰসম্ভৱ মহাকাব্যৰ ৰচয়িতা মহাকবি কালিদাসৰ বিষয়ে জানিব পাৰিলে।
- কালিদাসৰ ৰচনাৰাজিৰ পৰিচয় লাভ কৰিলে।
- কুমাৰসম্ভৱ মহাকাব্যৰ কথাবস্তু, উৎস আৰু প্রথম আঠটা সুসর্গৰ আভাস পালে।
- কুমাৰসম্ভৱত থকা প্রধান চৰিত্রসমূহৰ বিষয়ে জানিব পাৰিলে।
- কুমাৰসম্ভৱৰ সমীক্ষাৰ পৰা কাব্যখনৰ ৰস আদিৰ বিষয়ে জানিবলৈ সক্ষম হ'ল।



১.৭ অধিক জানিবলৈ

১) M. R. Kale. *Kumarasambhavam*- Motilal Banarasidass Publishers.

২) *History of Samikrta Literature*. V. Varadachari, 2nd ed. 1960.

৩) *সংস্কৃত সাহিত্যের ইতিহাস* — ধীৰেন্দ্র নাথ বন্দোপাধ্যায় পশ্চিমবঙ্গ ৰাজ্য পুস্তক পর্ষৎ ২য় সংস্কৰণ ২০১৪। ড° বঙ্কিম চেটার্জী ষ্ট্রিট কলিকতা-৭০০০৭৩।

৪) *সংস্কৃত সাহিত্যসম্ভার* - নং ২ নৱপত্র প্রকাশন, ৩য় সংস্কৰণ ড° বঙ্কিম চেটার্জী ষ্ট্রিট। বছৰ ----- কলিকতা-৭০০০৭৩।

৫) *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*- হৰমোহন দেৰ গোস্বামী, পাণবজাৰ, চন্দ্রপ্রকাশ, গুৱাহাটী, ...

৬) *সংস্কৃত সাহিত্যৰ জিলিঙনি* - কামাখ্যাচৰণ ভাগৱতী ১ম প্রকাশ, ১৯৭৩ গ্রন্থপীঠ, গুৱাহাটী।

৭) *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত* - ড° থানেশ্বৰ শর্মা ১ম প্রকাশ - ১৯৯৫, চন্দ্রপ্রকাশ, গুৱাহাটী।

৮) *কুমাৰসম্ভৱ - তৃতীয় সর্গ* - ড° ইন্দিৰা শইকীয়া বৰা, ২য় প্রকাশ ২০১৬ প্রকাশিকা, পাণবজাৰ, গুৱাহাটী।



১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ বৈদিক সাহিত্যসমূহত।

২ নং প্রশ্নৰ উত্তৰঃ দৃশ্যকাব্য আৰু শ্রব্যকাব্য।

৩ নং প্রশ্নৰ উত্তৰঃ শ্রব্যকাব্যৰ।

৪ নং প্রশ্নৰ উত্তৰঃ সর্গবন্ধো মহাকাব্যং তত্রৈকো নায়ক সুৰঃ। সদবংশঃ ক্ষত্রিয়া বাপি ধীৰোদাত্ত গুণান্বিত।।

৫ নং প্রশ্নৰ উত্তৰঃ ধন্বন্তৰি, ক্ষপণক।

৬ নং প্রশ্নৰ উত্তৰঃ মহাদেৱ আৰু পার্বতীক

৭ নং প্রশ্নৰ উত্তৰঃ ১৭টা সর্গ। পণ্ডিতসকলে কালিদাসে ৰচনা কৰা সর্গ আঠটা বুলি কয়।

৮ নং প্রশ্নৰ উত্তৰঃ ১) কুমাৰসম্ভৱ — কালিদাস
২) ৰঘুবংশ — কালিদাস
৩) কিৰাতার্জ্জুনীয়ম্ — ভাৰৱি
৪) নৈষধ চৰিত — শ্রীহর্ষ
৫) শিশুপালবধ — মাঘ

৯ নং প্ৰশ্নৰ উত্তৰঃ শিৱপুৰাণ, স্কন্দপুৰাণ

১০ নং প্ৰশ্নৰ উত্তৰঃ ৭৬ টা

১১ নং প্ৰশ্নৰ উত্তৰঃ ১) তপোবনৰ বসন্তাগমন

২) ৰতিৰ বিলাপ ৰামায়ণৰ তাৰাৰ বিলাপৰ লগত মিল আছে।

৩) তাৰকাসুৰৰ আখ্যান।

১২ নং প্ৰশ্নৰ উত্তৰঃ ৰঘুবংশ।



১.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ মহাকাব্য কাক বোলে? মহাকাব্যৰ লগত মিল থকা কুমাৰসম্ভৱৰ দিশসমূহ ফঁহিয়াই দেখুৱাওঁক।

খ) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ কালিদাসৰ বিষয়ে বহলাই লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ঃ কুমাৰসম্ভৱ মহাকাব্যত থকা প্ৰধান চৰিত্ৰসমূহৰ বিষয়ে এটি নিৱন্ধ যুগুত কৰক।

*** ***** ***